

# ইয়াহুৰ নতুন সম্ৰাজ্ঞী




বণিজৰ কথা | জিতুমণি পাঠক

মাথোঁ কেইটিমান বছৰ আগৰ কথা। ইণ্টাৰনেটৰ জগতখনত তেতিয়া গুগলে ভৰি পেলাইছে মাত্ৰ। প্ৰথমটো খোজ দিয়েই গুগলে ইণ্টাৰনেট ইউজাৰসকলৰ মাজত এটা সমীক্ষা চলালে। এই সমীক্ষাত তেওঁলোকক প্ৰশ্ন কৰা হ'ল যে ইণ্টাৰনেটত ইয়াহুৰ প্ৰয়োজনীয়তা তেওঁলোকে কিদৰে অনুভৱ কৰে। গুগলৰ এই প্ৰশ্নত বেছিসংখ্যক ইণ্টাৰনেট ব্যৱহাৰকাৰীয়েই বিস্মিত হৈছিল। কাৰণ তেওঁলোকে তেতিয়ালৈ জানিছিল ইয়াহু মানেই ইণ্টাৰনেট, ইণ্টাৰনেট মানেই ইয়াহু। ইয়াহু আৰু ইণ্টাৰনেটৰ মাজত যে কিবা পাৰ্থক্য আছে সেই সম্পৰ্কে ব্যৱহাৰকাৰীসকল জ্ঞাত নাছিল। সেয়া আছিল ইয়াহুৰ গৌৰৱময় সময়, এক জয়জয় ময়ময় অৱস্থা। ইণ্টাৰনেটৰ জগতখনত তেতিয়া ইয়াহুৰ একচ্ছত্ৰী আধিপত্য। কিন্তু সময়ে পৰিৱৰ্তন ঘটালে ইয়াহুৰ সেই আধিপত্যত। ইয়াহুৰ একচ্ছত্ৰিতাক প্ৰত্যাহ্বান জনাই ইণ্টাৰনেটৰ জগতখনত প্ৰৱেশ ঘটিল গুগলৰ। গুগলে ইয়াহুৰ আধিপত্যক চূৰ্ণ কৰি লাহে লাহে বঢ়াই আনিলে নিজৰ সাম্ৰাজ্য। এটা সময়ত ইয়াহুৰ এই নতুন প্ৰতিদ্বন্দ্বী গুগল হৈ পৰিল ইয়াহুৰ বাবে মূৰ কামোৰণি সদৃশ। গুগলে যেন এটোপ-এটোপকৈ শুহি নিলে ইয়াহুৰ সমস্ত শৌৰ্য।

যোৱা দুটিমান বছৰত ইয়াহু যেন অধিক বিপৰ্যয়ৰ সন্মুখীন হ'ল। এটাৰ পিছত এটা সমস্যাৰে ভাৰাক্ৰান্ত হৈ পৰা ইয়াহুক বিশেষজ্ঞসকলে তুলনা কৰিবলৈ ল'লৈ এখন ডুবিব ধৰা জাহাজৰ সৈতে। হঠাতে সেই ডুবিব ধৰা জাহাজৰপৰা উধাও হ'ল মূল কাণ্ডাৰীগৰাকীও। অৰ্থাৎ যোৱা মে' মাহত ইয়াহুৰ মুখ্য কাৰ্যবাহী বিষয়া স্কট থম্পছনে তেওঁৰ পদৰপৰা ইস্তফা দিয়ে। থম্পছনে পদত্যাগ কৰাৰ লগে লগে ইয়াহুৰ নতুন উত্তৰাধিকাৰী কোন হ'ব সেইলৈ কেইবা সপ্তাহো ধৰি বহু বিতৰ্কৰ সূচনা হ'ল। এইলৈ প্ৰায় আধা ডজনতকৈ অধিক নাম উচ্চাৰিত হ'ল। কিন্তু ইমান দীঘলীয়া আলোচনাৰ অন্ততো ইয়াহু কৰ্তৃপক্ষ এটা স্থিৰ সিদ্ধান্তত উপনীত হ'ব পৰা নাছিল। কিয়নো এই সময়ত ইয়াহু পূৰ্বৰ গৌৰৱময় অৱস্থাৰ সেন্দূৰীয়া পথেৰে গতি কৰি থকা নাছিল। এই সময়ত ইয়াহুৰ প্ৰয়োজন আছিল এনে এক নাবিকৰ যি এই ডুবন্ত জাহাজখনক সমুদ্ৰৰ বক্ষত জাহ যোৱাৰপৰা ৰক্ষা কৰাই নহয় ইয়াক সঠিক নিৰ্দেশনাৰে পূৰ্বৰ গৌৰৱময় অৱস্থালৈও ওভতাই নিব পাৰিব লাগিব। ইয়াহুৰ এই দুৰ্যোগপূৰ্ণ অৱস্থাক সূক্ষ্ম দৃষ্টিৰে নিৰীক্ষণ কৰি থকা বিশেষজ্ঞসকলে ইয়াহুৰ উত্তৰাধিকাৰী হিচাপে উল্লেখ কৰিছিল এটা নাম— ৰ'জ লেভিনছন। লেভিনছন ইয়াহুৰ 'গ্ল'বেল মেডিয়া'ৰ প্ৰাক্তন মুৰব্বী। থম্পছনৰ আকস্মিক পদত্যাগৰ পিছত অন্তৰ্বৰ্তীকালীন মুখ্য কাৰ্যবাহী বিষয়া হিচাপে লেভিনছনেই দায়িত্ব পালন কৰি আছিল। এনে এক প্ৰেক্ষাপটত বিশেষজ্ঞৰ দৃষ্টিত লেভিনছনেই আছিল প্ৰথম পচন্দৰ ব্যক্তি। কিন্তু সকলো জল্পনা-কল্পনাৰ ওৰ পেলাই যোৱা ১৬ জুলাইত ইয়াহুৰ ব'ৰ্ড অৱ ডাইৰেক্টৰে ঘোষণা কৰিলে ইয়াহুৰ নতুন মুখ্য কাৰ্যবাহী বিষয়া (চি ই অ') আৰু প্ৰেছিডেণ্টৰ নাম। সমগ্ৰ বিশ্ব ব্যাপী থকা এই সাম্ৰাজ্যৰ ভাৰ তেওঁলোকে অৰ্পণ কৰিলে এগৰাকী ৩৭ বছৰীয়া মহিলাৰ ওপৰত। নাম তেওঁৰ মাৰিছা এন মেয়াৰ।

ইয়াহুৰ নতুন মুখ্য কাৰ্যবাহী বিষয়া আৰু প্ৰেছিডেণ্ট হিচাপে ব'ৰ্ড অৱ ডাইৰেক্টৰে ঘোষণা কৰা মাৰিছা মেয়াৰৰ নাম নিতান্তই এক চমক বুলি ক'ব লাগিব। কাৰণ নতুন চি ই অ'ৰ নিৰ্বাচনৰ বাবে ব'ৰ্ড অৱ ডাইৰেক্টৰৰ মাজত হোৱা দীঘলীয়া আলোচনাত এবাৰো উল্লেখ হোৱা নাছিল মাৰিছা মেয়াৰৰ নাম। তেওঁলোকৰ পচন্দৰ তালিকাত যি আধা ডজন ব্যক্তিৰ নাম উঠিছিল তাতো নাছিল মেয়াৰৰ অস্তিত্ব। সেয়েহে মাৰিছা মেয়াৰৰ নাম ঘোষণাই স্বাভাৱিকতে বিস্মিত কৰি তুলিছিল সকলোকে। কিন্তু কেৱল চমক সৃষ্টিৰ তাগিদাতেই ইয়াহু কৰ্তৃপক্ষই ঘোষণা কৰা নাই মেয়াৰৰ নাম। অৰ্পণ কৰা নাই ডুবন্ত জাহাজৰ এই গুৰুভাৰ। ইণ্টাৰনেটৰ জগতত এই কমবয়সী মহিলাৰ আছে এক কঠিন পৃষ্ঠভূমি। আছে তেৰ বছৰীয়া এক বৰ্ণিল কেৰিয়াৰ। সাধাৰণ মানুহৰ বাবে অপৰিচিত হ'লেও সমগ্ৰ বিশ্বব্যাপী থকা নেটিজেনসকলৰ বাবে মাৰিছা এন মেয়াৰ এটি অতি চিনাকী নাম। মাৰিছা মেয়াৰ যে ভৱিষ্যৎ সময়ৰ এক উজ্জ্বল তাৰকাৰ নাম তাৰ উমান পোৱা গৈছিল বহু আগেয়ে। আমেৰিকাৰপৰা প্ৰকাশিত 'ফৰচুন' নামৰ আলোচনীখনে প্ৰতি বছৰে আমেৰিকাৰ ব্যৱসায় জগতৰ পঞ্চাছগৰাকী 'প্ৰভাৱশালী মহিলা'ৰ এখন তালিকা প্ৰস্তুত কৰি উলিয়ায়। ২০০৮ জনৰ সেই তালিকাৰ আটাইতকৈ শেষৰ স্থানটো অধিকাৰ কৰিছিল এগৰাকী তেত্ৰিশ বছৰীয়া যুৱতীয়ে। স্বাভাৱিকতে সেই সময়ত সকলোৰে দৃষ্টি নিবদ্ধ হৈছিল সেই কমবয়সীয়া যুৱতীৰ ওপৰত। কাৰণ ফৰচুনৰ তালিকাত তেতিয়াৰপৰা আজি পৰ্যন্ত কোনেও সেই স্থান ইমান কম বয়সতে অধিকাৰ কৰিবলৈ সক্ষম হোৱা নাছিল। সেয়াই মাৰিছা মেয়াৰ। তাৰ পিছত ধাৰাবাহিকভাৱে ২০০৯, ২০১০, ২০১১তো ফৰচুনৰ তালিকাত অক্ষত থাকিল মেয়াৰৰ নাম। কেৱল অক্ষত থকাই নহয়, ২০০৮ৰ ৫০ তম স্থানৰ পিছত ক্ৰমান্বয়ে ৪৪, ৪২, ৩৮ৰে উন্নীত কৰিলে নিজৰ ৰেংক। বিশ্বলৈ বিয়পাই দিলে নতুন তাৰকাৰ আগমনৰ বাৰ্তা। জন্মসূত্ৰে আমেৰিকান উইছকনছিন প্ৰদেশৰ বাসিন্দা মেয়াৰে হাইস্কুলৰ ছাত্ৰী হৈ থকা অৱস্থাতেই ৱেষ্ট ভাৰ্জিনিয়াত অনুষ্ঠিত 'নেচনেল য়ুথ ছায়েন্স কেম্প'ত নিজৰ প্ৰদেশক প্ৰতিনিধিত্ব কৰিছিল। ষ্টেনফ'ৰ্ড ইউনিভাৰ্ছিটীৰপৰা 'ছিম্বলিক ছিষ্টেম'ত স্নাতক আৰু 'কম্পিউটাৰ ছায়েন্স'ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা মেয়াৰৰ স্পেচিয়েলাইজেচন আছিল কৃত্ৰিম বুদ্ধিমত্তা। ২০০৯ চনত আমেৰিকাৰে ইলিনইছ ইন্সটিটিউট অৱ টেকন'ল'জীয়ে 'ফিল্ড অৱ ছাৰ্চ'ত আগবঢ়োৱা উল্লেখনীয় অৰিহণাৰ বাবে মেয়াৰক প্ৰদান কৰিছিল সন্মানীয় ডক্টৰেট ডিগ্ৰী। এয়া মেয়াৰৰ কেৰিয়াৰৰ কিয়দংশ। মেয়াৰৰ প্ৰতিভা সঠিক ৰূপত প্ৰস্ফুটিত হৈ উঠিছিল গুগলৰ সৈতে জড়িত হৈ পৰাৰ পিছতহে। অৱশ্যে তেওঁৰ কৰ্মময় জীৱনৰ আৰম্ভণি গুগলৰ সৈতে হোৱা নাছিল, হৈছিল ছুইজাৰলেণ্ডৰ জুৰিখ চহৰৰ ইউ বি এছ ৰিছাৰ্চ লেবৰ সৈতে। ১৯৯৯ চনত মেয়াৰে গুগলত এগৰাকী কৰ্মী হিচাপে যোগদান কৰে। মেয়াৰ আছিল গুগলৰ বিশ নম্বৰগৰাকী কৰ্মী। গুগলৰ সাম্ৰাজ্য তেতিয়া তেনেই চালুকীয়া অৱস্থাত। এখন বিশাল সাম্ৰাজ্য গঢ়ি তোলাৰ প্ৰয়াস আৰম্ভ কৰিছে মাথোন। ইয়াহুক পৰাজিত কৰি গুগলৰ সাম্ৰাজ্য প্ৰতিষ্ঠা কৰাৰ এই স্বপ্নবিলাসী অভিযানত মেয়াৰ হৈ পৰিল এক গুৰুত্বপূৰ্ণ অংশীদাৰ। এইখিনিতে প্ৰণিধানযোগ্য যে মাৰিছা মেয়াৰ আছিল গুগলৰ প্ৰথমগৰাকী মহিলা অভিযন্তা।



অত্যন্ত প্ৰতিভাশালী মহিলা মেয়াৰৰ ইতিবাচক দিশটো হ'ল তেওঁৰ প্ৰতিভাৰ সৈতে সংপৃক্ত হৈ আছিল এক সুন্দৰ কলাসুলভ সৃজনশীল মন। ইঞ্জিনীয়াৰ পিতৃ আৰু কলা শিক্ষক মাতৃৰ গুণাৱলীৰ যেন এক মিশ্ৰিত ফল মেয়াৰ। আজি আমাৰ সকলোৰে অতিকে পৰিচিত গুগল হ'মপেজ'ত মেয়াৰৰ কলা আৰু অভিযান্ত্ৰিক জ্ঞানৰ সু-সমন্বয়ৰ স্পষ্ট ছাপ বিদ্যমান। নিজৰ দূৰন্তপ্ৰতিভাৰ বাবেই গুগলত মেয়াৰে ইঞ্জিনীয়াৰ, ডিজাইনাৰ, প্ৰডাক্ট মেনেজাৰ, কাৰ্যবাহী হিচাপে প্ৰায় তেৰ বছৰ কাল অতিবাহিত কৰিলে। গুগললৈ বুলি মেয়াৰৰ অৱদান অলেখ। গুগল ছাৰ্চ, গুগল ইমেইজ, গুগল বুকছ, গুগল প্ৰডাক্টছাৰ্চ, গুগল টুল বাৰ, গুগল নিউজ, জি-মেইল আদি সকলোতে মেয়াৰৰ এক গুৰুত্বপূৰ্ণ বৰঙণি যোগ হৈ আছে। গুগলৰ এই অনন্য ফিচাৰবোৰৰ বাবেই ইণ্টাৰনেটৰ জগতখনত এক শীৰ্ষতম স্থানত আৰোহণ কৰিবলৈ সক্ষম হৈছে গুগল। আৰু ইয়াৰ কৃতিত্ব অন্যান্যসকলৰ দৰে নিঃসন্দেহে মেয়াৰৰো প্ৰাপ্য। গুগলৰ সৈতে কটোৱা অন্তিম বছৰটোত মেয়াৰ আছিল ল'কেল, মেপ আৰু লোকেচন ছাৰ্ভিচৰ ভাইচ প্ৰেছিডেণ্ট। মেয়াৰৰ প্ৰতিভাৰ অন্য এটা দিশ আলোকিত হৈছিল musician@googleত লেডী গাগাক লোৱা সাক্ষাৎকাৰটিত, youtubeত যাৰ দৰ্শক হৈছিল প্ৰায় ২০ লক্ষ লোক। গুগলৰ আৰম্ভণিৰ সেই সংগ্ৰামী সময়ৰপৰা দোপত-দোপে উন্নতি কৰি সফলতাৰ চূড়ান্ত শিখৰত ভৰি দিয়ালৈকে এই দীঘলীয়া সময়ৰ দুখ-বেদনা-মধুৰতাৰ অন্যতম অংশীদাৰ মেয়াৰৰ গুগল পৰিত্যাগৰ সিদ্ধান্ত ইমান সহজ আছিল নে! ১৩ বছৰ ধৰি গুগলৰ সৈতে সংপৃক্ত হৈ থকাৰ পিছত গুগল কৰ্তৃপক্ষই শেহতীয়াভাৱে লোৱা এক সিদ্ধান্তই আশাহত কৰিছিল মেয়াৰক। এক আকাংক্ষিত পদোন্নতিত গুগল কৰ্তৃপক্ষই মেয়াৰক একাষৰীয়া কৰি আন এগৰাকীক নিৰ্বাচন কৰাত স্বাভাৱিকতে ক্ষুণ্ণ হৈ পৰিছিল মেয়াৰ। গুগল কৰ্তৃপক্ষই পৰৱৰ্তী সময়ত তেওঁৰ প্ৰতি সুবিচাৰ কৰিব বুলি আশ্বাস দিছিল যদিও সেই সময়তে ইয়াহুৰ প্ৰস্তাৱ আহি হাতত পৰিল মেয়াৰৰ। তাতে আকৌ সৰ্বোচ্চ পদবীৰ। বৰ্তমান সময়ত যদিও ইয়াহু পৰিগণিত হৈছে এক ডুবন্ত জাহাজ হিচাপে, তথাপি ই পূৰ্বৰ অলেখ গৰিমাৰে গৰিমামণ্ডিত। প্ৰত্যাহ্বানক ভালপোৱা মেয়াৰৰ বাবে ই আছিল এক সুৱৰ্ণ সুযোগ নিজকে প্ৰমাণ কৰি দেখুওৱাৰ। গতিকে মেয়াৰে বিনাদ্বিধাই গ্ৰহণ কৰিলে এই প্ৰস্তাৱ। ইয়াহুৰো অন্ত পৰিল এক সুদীৰ্ঘ অন্বেষণৰ। ১৬ জুলাইৰপৰা কাৰ্যকৰী হোৱাকৈ ইয়াহুৰ বিশাল সাম্ৰাজ্যৰ ভাৰ অৰ্পণ কৰা হ'ল মেয়াৰৰ হাতত। অভিষেক সম্পন্ন হ'ল ইয়াহুৰ নতুন সম্ৰাজ্ঞীৰ।

মেয়াৰক লৈ ইয়াহুত সৃষ্টি হৈছে সেই আশাবাদৰ। সেই অনুভৱ আছে ইয়াহুৰ নতুন নেত্ৰীৰ। তেওঁৰ সন্মুখত সমস্যা অনেক। তদুপৰি সকলো সময়ত তেওঁ বহন কৰিব লাগিব আশাৰ এক অতিৰিক্ত বোজা। ইমানৰ পিছতো যদি মেয়াৰে স্ব-মহিমাৰে উদ্ভাসিত হৈ ইয়াহুৰ ডুবিব ধৰা জাহাজখনক পাৰ লগাবলৈ সক্ষম হয়, তেন্তে নিঃসন্দেহে স্বীকাৰ কৰিব লাগিব যে ইয়াহুৰ ব'ৰ্ড অৱ ডাইৰেক্টৰৰ সিদ্ধান্ত আছিল দূৰদৰ্শী, নিখুঁত, নিৰ্ভুল। সকলোৰে সুতীক্ষ্ণ দৃষ্টি এতিয়া মেয়াৰৰ ওপৰত।